# শিশুটিক গ্ৰন্থৰ বৰ্ণিল জগতখনলৈ লৈ যাওঁ আহক

আদৰ্শ ॥ জিতুমণি পাঠক

আজিৰ শিশুটিয়ে কাইলৈ হ'ব দেশৰ ভৱিষ্যৎ। অনাগত সময়বোৰত আমি তেতিয়াহে এখন পৰিচ্ছন্ন দেশৰ কথা কল্পনা কৰিব পাৰিম, যেতিয়া আমি আজিৰ শিশুটিক সুস্থ মানসিকতাৰে সুস্থ ব্যক্তিৰূপে গঢ় দি তুলিব পাৰিম। প্ৰত্যেকটি শিশুৰ ব্যক্তিত্বৰ কাঠামো গঢ় লৈ উঠে ঘৰখনত সেয়েহে এটি শিশুক ভৱিষ্যতৰ পৃথিৱীত এজন সুস্থ-সবল ব্যক্তিত্বৰ অধিকাৰী হিচাপে থিয় দিবলৈ সক্ষম কৰি তোলাটো প্ৰত্যেকখন ঘৰৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছে।

আজি সেই তাহানিৰ দিনো নাই যে ককা-আইতাই জোনাক নিশা চোতালত বহি নাতি-নাতিনীহঁতক গল্পৰ চলেৰে নীতি শিক্ষাৰ পাঠ পঢ়াব। যৌথ পৰিয়াল ব্যৱস্থা এতিয়া বিলুপ্তপ্ৰায়। মাক-দেউতাকৰ অতি ব্যস্ততাত কণমানিহঁতে তেওঁলোকৰ সৈতে দীঘলীয়া সময় কটোৱাৰ কথা মাত্ৰ সপোনতে ভাবিবলৈ অধিকাৰ পোৱাৰ দৰে হৈছেগৈ। সংগীহীনতাৰ ভয়াৱহ হাতোৰাই শিশুৰ মনোজগতত কি ক্ষয়ংকাৰী প্ৰভাৱ পেলাব পাৰে সেয়া আমাৰ অবিদিত নহয়। অথচ নিৰুপায় পিতৃ-মাতৃয়ে সকলো জানি-বুজিও, শিশুটিৰ সুন্দৰ ভৱিষ্যতৰ সপোন দেখিও বাধ্য হৈছে তাক তুলি দিবলৈ নিঃসংগতাৰ কোলাত। বন্ধুতাৰ সীমাহীন নিঃসংগতা। এনে এক সন্ধিক্ষণত গ্ৰন্থৰ জগতখনে তাক দিব পাৰে নিঃসংগতাৰ পৰা মুক্তি, সুহৃদৰ এক উমাল স্পৰ্শ। এনে ক্ষেত্ৰত কিতাপ হৈ পৰে উভয়ৰে বন্ধু, শিশুটিৰো আৰু অভিভাৱকৰো।

## কিদৰে আপোনৰ শিশুটিক কৰি তুলিব গ্ৰন্থ প্ৰিয়

এগৰাকী খ্যাতনামা ব্যক্তিয়ে তেওঁৰ শৈশৱ কালৰ কথা স্মৰণ কৰি কৈছিল কিদৰে তেওঁৰ পিতৃয়ে তেওঁৰ গ্ৰন্থ অধ্যয়নৰ অভ্যাস এটা গঢ়ি তুলিছিল। শৈশৱতে অন্য শিশুবোৰৰ দৰে তেৱোঁ বিভিন্ন সময়ত দেউতাকৰ ওচৰত বিচাৰিছিল 'পকেট মানি'। দেউতাকে 'পকেট মানি' দিয়াৰ আগতে এটা চৰ্ত ৰাখিছিল যদিহে তেওঁ দিয়া কিতাপ এখন পঢ়ি শেষ কৰে তেতিয়াহে তেওঁক 'পকেট মানি' দিয়া হ'ব। প্ৰথমে 'পকেট মানি'ৰ লোভত গ্ৰন্থৰ বৰ্ণাঢ্য জগতখনত ভৰি দিছিল যদিও সীমাহীন বৈচিত্ৰৰে ভৰা এই জগতখনে তেওঁক এটা সময়ত মোহাচ্ছন্ন কৰি পেলাইছিল। আৰু শেষলৈ গৈ এনে এটা অৱস্থা হৈছিল যে তেওঁক দিয়া 'পকেট মানি'খিনিও তেওঁ খৰচ কৰিবলৈ লৈছিলগৈ কিতাপ কিনাত।




এই অভিজ্ঞতাখিনিক পিতৃ-মাতৃয়ে তেওঁলোকৰ সন্তানটিৰ ক্ষেত্ৰত প্ৰয়োগ কৰি চাব পাৰে। কেৱল 'পকেট মানি'য়েই নহয়, বিভিন্ন সময়ত এটি শিশুৱে মাক-দেউতাকক বিভিন্ন বস্তুৰ বাবে আৱদাৰ কৰে। তেনে ক্ষেত্ৰত মাক-দেউতাকে পোনেই শিশুটিৰ হাতত বস্তুটো তুলি দিয়াতকৈ এনে এক চৰ্ত ৰাখি চাব পাৰে। কেতিয়াবা হয়তো কিতাপখন নপঢ়াকৈয়ে শিশুটিয়ে পঢ়ি শেষ কৰা বুলি ক'ব পাৰে। তেনেক্ষেত্ৰত পিতৃ-মাতৃয়ে ব্যস্ততাৰ মাজতো কিবা কৈ অকণমান সময় উলিয়াই শিশুটিয়ে পঢ়ি শেষ কৰি উঠা কিতাপখনৰ কাহিনীটো থূলমূলকৈ তাৰ নিজৰ ভাষাত ক'বলৈ দিব লাগে। ইয়াৰ ফলত শিশুটিৰ কথাখিনিৰ সত্যতা জনাৰ লগতে বহুতো শিশুৱে ৰাজহুৱা স্থানত কথা ক'বলৈ গৈ যি খোকোজা লগা অৱস্থা এটাৰ সৃষ্টি হয়, তাৰ পৰা সি সম্পূৰ্ণ মুক্ত হৈ সপ্ৰতীভ হৈ পৰিব। বহু সময়ত হয়তো শিশুটিয়ে মূল কাহিনীটোক অতিৰঞ্জিত কৰি পেলাব পাৰে। সেয়া আচলতে তাৰ সৃজনীশক্তিৰে পৰিচয়। তেনে ক্ষেত্ৰত বিয়োগাত্মক দিশসমূহ মাথোঁ আঙুলিয়াই দি তাৰ কল্পনাশক্তিৰ পৰিসৰ বৃদ্ধি কৰিবলৈ দিয়াই শ্ৰেয়।

## কেনে গ্ৰন্থ তুলি দিব আপোন শিশুটিৰ হাতত

গ্ৰন্থ নিৰ্বাচনৰ ক্ষেত্ৰত পিতৃ-মাতৃৰ এক গুৰু দায়িত্ব আছে। কিতাপ বুলিলেই যিকোনো কিতাপ জধে-মধে শিশুটিৰ হাতত তুলি দিয়াটো এক অবিবেচকৰ কাম হ'ব। কাৰণ বহুতো ভাল কিতাপো শিশু মানসিকতাৰ বাবে উপযোগী নহ'ব পাৰে। পঠন অভ্যাস গঢ়ি তোলাৰ প্ৰাৰম্ভিক সময়ছোৱাত অত্যধিক তথ্যগধুৰমূলক কিতাপ বা নীতি শিক্ষাৰ অত্যধিকতাৰে ভৰি থকা কিতাপ তুলি নিদিয়াই ভাল। ই শিশুটিৰ মনত কিতাপৰ প্ৰতি এটা বিৰাগ ভাবৰহে সৃষ্টি কৰিব। এবাৰ সৃষ্টি হোৱা তেনে বিৰাগে তাক হয়তো চিৰদিনৰ বাবে কিতাপৰ জগতখনৰ পৰা আঁতৰাই লৈ যাব। সেয়েহে প্ৰথম অৱস্থাত ৰসাল সাধুকথা বা কবিতাৰে ভৰা কিতাপেৰে শিশুটিক আমন্ত্ৰণ জনাওক কিতাপৰ বৰ্ণময় জগতখনলৈ। লাহে লাহে সি কিতাপৰ মোহত আৱদ্ধ হৈ পৰাৰ লগে লগে তাৰ ৰুচি অনুযায়ী তথ্য সমৃদ্ধ, নীতি শিক্ষাৰ কিতাপসমূহ যোগান ধৰক। এটা সময়ত হয়তো এনে এটা দিন আহিব যেতিয়া সি অধিক 'পকেট মানি'ৰ দাবী কৰিব, অধিক কিতাপ কিনিবৰ বাবে।

## জন্ম দিনৰ উপহাৰ হওক কিতাপ

নিজৰ লগ-সংগৰ পৰা শুনি বা নিজে দেখি প্ৰত্যেকটি শিশুৱে নিজৰ জন্ম দিনটোক এটা বিশেষ উল্লেখযোগ্য দিন হিচাপে গ্ৰহণ কৰে। সেই দিনটোত পোৱা প্ৰতিটো উপহাৰেই তাৰ বাবে অমূল্য। গতিকে পিতৃ-মাতৃয়ে অন্যান্য উপহাৰৰ লগতে তাৰ সেই বিশেষ দিনটোৰ অমূল্য সম্পদবোৰৰ তালিকাত কিতাপৰ এটা টোপোলা থকাটো নিশ্চিত কৰক। কিতাপবোৰ বাছনি কৰোতে বিখ্যাত লেখকৰ সংৰক্ষণযোগ্য কিতাপবোৰৰ কথা মনত ৰাখিলে ভাল। কিয়নো সি জন্ম দিনৰ উপহাৰবোৰ বহুদিনলৈ সাঁচি ৰাখিব ভাল পাব। তদুপৰি বন্ধু-বান্ধৱৰ জন্মদিনতো তাক কিতাপৰ উপহাৰ দিবলৈ শিকাওক। এনে উপহাৰৰ ফলস্বৰূপে বন্ধু-বান্ধৱবোৰৰ মাজতো গ্ৰন্থ অধ্যয়নৰ স্পৃহা বাঢ়ি আহিব। শিশুটিয়েও একেধৰণৰ বাতাৱৰণৰ মাজত বন্ধু-বান্ধৱবোৰৰ মাজত থাকিবলৈ পাই নিজকে কেতিয়াও নিঃসংগ অনুভৱ নকৰিব।

কেৱল জন্মদিনেই নহয়, আন আন বিশেষ দিনবোৰতো পিতৃ-মাতৃয়ে সন্তানটিক কিছুমান সস্তীয়া মনোৰঞ্জনমূলক বস্তু দিয়াতকৈ এখন কিতাপ দিয়াৰ ব্যৱস্থা কৰিব পাৰে। শিশুটিৰ মাজত যদি ইতিমধ্যে গ্ৰন্থ অধ্যয়নৰ পিপাসা এটা জাগি উঠিছে, তেনেহ'লে তেনে উপহাৰে তাক অতিকৈ আনন্দিত কৰিব। বগা কাগজৰ ক'লা চিএগাহীৰে লিখা আখৰকেইটাৰ কি যাদুকৰী মাহাত্ম্য আছে সেয়া প্ৰতিগৰাকী পিতৃ-মাতৃয়ে তেতিয়া অনুধাৱন কৰিব পাৰিব যেতিয়া শিশুটি গৈ এগৰাকী প্ৰাপ্তবয়স্ক ব্যক্তিলৈ পৰিণত হ'ব।